# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 14-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ ডেৰাডুনত দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰ মুকলি কৰিব।

২। বৈদেশিক সচিব বিক্ৰম মিশ্ৰী আৰু ফ্ৰান্স মন্ত্ৰালয়ৰ মাজত ভাৰত-ফ্ৰান্স বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠক অনুষ্ঠিত হয়।

৩। আমেৰিকাৰ নৌসেনাই ইৰানৰ উপকূলসমূহৰ অৱৰোধ আৰম্ভ কৰিছে।

৪। সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ ১৩৬ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ৫৭ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ ডেৰাডুনত দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰ মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰৰ এলিভেটেড খণ্ডৰ বন্যপ্ৰাণী কৰিডৰৰো পৰ্যালোচনা কৰিব। ইয়াৰ পাছত শ্ৰীমোদীয়ে ডেৰাডুনৰ সমীপৰ জয় মা ডাত কালি মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়াব।

২১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ দিল্লী-ডেৰাডুন অৰ্থনৈতিক কৰিডৰটো ১২ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। এই কৰিডৰটোৱে দিল্লী আৰু ডেৰাডুন মাজৰ যাত্ৰাৰ সময় বৰ্তমানৰ ৬ ঘণ্টাৰ পৰা আঢ়ৈ ঘণ্টালৈ হ্ৰাস পৰিব। পৰিৱেশ অনুকূল সংবেদনশীলতা, চহকী জৈৱ বৈচিত্ৰ্যতা আৰু অঞ্চলটোৰ বন্যপ্ৰাণীসমূহৰ প্ৰতি লক্ষ্য ৰাখি এই কৰিডৰটো কেতবোৰ বিশেষ বৈশিষ্টৰ সৈতে নিৰ্মাণ কৰা হৈছে, যাতে ইয়াৰ জৰিয়তে মানুহ আৰু বন্যপ্ৰাণীৰ মাজৰ সংঘাত হ্ৰাস কৰিব পৰা যায়। এই অৰ্থনৈতিক কৰিডৰে গুৰুত্বপূৰ্ণ পৰ্যটনস্থলী আৰু অৰ্থনৈতিক কেন্দ্ৰসমূহৰ মাজত যোগাযোগ বৃদ্ধি কৰাৰ লগতে বাণিজ্যৰ ন-ন সুযোগ মুকলি কৰি অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ooooo

পেৰিচত অনুষ্ঠিত ভাৰত-ফ্ৰান্স বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠকত কালি বৈদেশিক সচিব বিক্ৰম মিশ্ৰী আৰু ফ্ৰান্স মন্ত্ৰালয়ৰ ইউৰোপ আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সচিবপ্ৰধান মাৰ্টিন ব্ৰাইনছে সহ অধ্যক্ষতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে এই বৈঠকৰ সময়ছোৱাত দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশ চালি-জাৰি চোৱাৰ লগতে বিশেষ গোলকীয় কৌশলগত অংশীদাৰিত্ব সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। ভাৰত আৰু ফ্ৰান্সৰ উদ্ভাৱনী বছৰ, অৰ্থনৈতিক নিৰাপত্তাৰ ক্ষেত্ৰত সহযোগিতা,

বৈদেশিক বাণিজ্য দুগুণ কৰাৰ লক্ষ্য বিশেষকৈ ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য চুক্তিৰ আধাৰত বুজাবুজি আদিৰ ক্ষেত্ৰত আলোচনা অনুষ্ঠিত হয়।

এই বৈঠকৰ সময়ছোৱাত প্ৰতিৰক্ষা ক্ষেত্ৰকে ধৰি দ্বিপাক্ষিক সহযোগিতা, অসামৰিক পাৰমাণৱিক শক্তি, মহাকাশ, চাইবাৰ আৰু ডিজিটেল, কৃত্ৰিম বুদ্ধিমত্তা, প্ৰতিষ্ঠানগত আলোচনা ব্যৱস্থা আৰু জনসাধাৰণৰ মাজত সাংস্কৃতিক আদান-প্ৰদান আদিৰ সন্দৰ্ভতো আলোকপাত কৰা হয়। মন্ত্ৰালয়ে লগতে জনোৱা মতে দুয়োখন দেশে পৰিৱেশগত সহযোগিতা, জলবায়ু পৰিৱৰ্তন আৰু স্বাস্থ্য সম্পৰ্কীয় বিষয়সমূহতো নিজৰ মনোভাৱ দাঙি ধৰে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় সহযোগিতা, ত্ৰিপাক্ষিক আলোচনা, তৃতীয় বিশ্বৰ দেশসমূহত যুটীয়া উন্নয়নমূলক প্ৰকল্পৰ লগতে পশ্চিম এছিয়া আৰু ইউক্ৰেইনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভতো আলোচনা কৰা হয়।

পেৰিচ ভ্ৰমণকালত বৈদেশিক সচিব শ্ৰীমিশ্ৰীয়ে ইউৰোপ আৰু  ফ্ৰান্সৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী তথা ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ কূটনৈতিক পৰামৰ্শদাতা ইমানুৱেল বনেকো সাক্ষাৎ কৰে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত যুদ্ধ বিৰতি আলোচনাত কোনো চুক্তি সম্পাদন নোহোৱাৰ ফলত পশ্চিম এছিয়াৰ সংঘাতে নতুন মোৰ লৈছে আৰু আমেৰিকাৰ নৌসেনাই ইৰানৰ উপকূলসমূহ সম্পূৰ্ণভাৱে অৱৰোধ আৰম্ভ কৰিছে। কালি সন্ধিয়া চাৰে ৭ বজাৰ পৰা এই অভিযান আৰম্ভ হৈছে বুলি আমেৰিকাৰ সূত্ৰই প্ৰকাশ কৰিছে। সূত্ৰটোৱে জনোৱা মতে এই অৱৰোধ ইৰানৰ বন্দৰ আৰু উপকূলীয় অঞ্চললৈ যোৱা নাইবা ওলাই অহা সকলো জাহাজতে প্ৰযোজ্য হ'ব। অৱশ্যে হৰমুজ প্ৰণালীৰ মাজেৰে ইৰানক বাদ দি অন্য দেশলৈ যোৱা জাহাজৰ ক্ষেত্ৰত এই অৱৰোধ প্ৰযোজ্য নহ'ব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ প্ৰত্যুত্তৰত ইৰানৰ আই আৰ জি চিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ মিত্ৰজোঁটে চলোৱা আক্ৰমণসমূহৰ পৰিপ্ৰেক্ষিতত ইৰানক অধিক প্ৰত্যুত্তৰ দিবলৈ বাধ্য কৰিব বুলি সকীয়াই দিছে। ইৰানে লগতে হৰমুজ প্ৰণালীত নিজৰ সম্পূৰ্ণ অধিকাৰ আছে বুলিও দাবী কৰিছে।

ooooo

ভাৰতত থকা ইৰানীয়ান ৰাষ্ট্ৰদূত ড০ মহম্মদ ফাটাহ আলীয়ে ইৰানৰ কঠিন সময়তো ভাৰতৰ দৰে নিৰ্ভৰযোগ্য আৰু সমৰ্পিত ৰাষ্ট্ৰ এখনে সম্পৰ্ক অব্যাহত ৰখাৰ বাবে ভাৰত চৰকাৰ আৰু ইয়াৰ জনসাধাৰণৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছে। কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাৰ সময়ত ড০ ফাটাহ আলীয়ে এই কঠিন সময়ত চৰকাৰে সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা কৰি দিয়াৰ বাবেও ভাৰতক ধন্যবাদ জনায়। ৰাষ্ট্ৰদূতগৰাকীয়ে কয়, যে ভাৰত আৰু ইৰানে পৰস্পৰ স্বাৰ্থজড়িত বিষয়সমূহ একেলগে আগবঢ়াই নিয়াৰ লগতে সুদূৰ ভৱিষ্যতেও সু-সম্পৰ্ক বজাই ৰাখিব।

ooooo

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধানৰ মূল প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ ১৩৬ সংখ্যক জয়ন্তীত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ ভিন্ন প্ৰান্তত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ সংসদ ভৱন চৌহদত ড০ বি আৰ আম্বেডকাৰলৈ শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে আজি পুৱা বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

১৮৯১ চনৰ ১৪ এপ্ৰিলত মধ্যপ্ৰদেশত জন্মগ্ৰহণ কৰা ড০ বি আৰ আম্বেডকাৰে তেওঁৰ সমগ্ৰ জীৱন সামাজিক বৈষম্যতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে মহিলা, শ্ৰমিক তথা উপান্ত শ্ৰেণীৰ লোকসকলক সমান

অধিকাৰ প্ৰদানৰ উদ্দেশ্যে উছৰ্গা কৰিছিল। ১৯৯০ চনত তেওঁক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মান প্ৰদান কৰা হৈছিল।

ooooo

সমগ্ৰ অসমবাসীয়ে আজিৰে পৰা জাতীয় উৎসৱ বিহু উদযাপন কৰিছে। বাপতিসাহোন ৰঙালী বিহুৰ আজি গৰু বিহু। আজি অসমবাসীয়ে পুৱাতেই  নৈ, বিল আদিত গৰুক গা-ধুৱাই, লাও-বেঙেনা, হালধি আদি খুৱাই কৃষিৰ বাবে প্ৰয়োজনীয় গৰুৰ শ্ৰীবৃদ্ধিৰ বাবে পৰম্পৰা পালন কৰে। কাইলৈ মানুহ বিহুৰ দিনা প্ৰিয়জন আৰু আত্মীয় স্বজনক হেঁপাহৰ বিহুৱান আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমবাসীয়ে কাইলৈ অসমীয়া নতুন বছৰটিক আদৰিব। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে।

ইপিনে পঞ্জাৱতো আজি উলহ-মালহেৰে বৈশাখী উৎসৱ পালন কৰা হৈছে। এই উৎসৱৰ ধৰ্মীয়, সাংস্কৃতিক আৰু ঐতিহাসিক মূল্য আছে। এই দিনটোতে শিখসকলৰ দশম গুৰু শ্ৰীগুৰু গোবিন্দ সিঙে ১৬৯৯ চনত খালছা পন্থৰ প্ৰতিস্থা কৰিছিল।

ooooo

ভাৰত আৰু বাংলাদেশে সংসদীয় সহযোগিতা অধিক শক্তিশালী কৰাৰ বাবে আলোচনা কৰিছে। বাংলাদেশত থকা ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কালি ঢাকাত জাতীয় সংসদৰ অধ্যক্ষ হাফিজ উদ্দিন আহমেদ আৰু উপাধ্যক্ষ কেছৰ কমলৰ সৈতে সৌজান্যমূলক বাৰ্তালাপ কৰে। এই বৈঠকৰ সময়ত দুয়োপক্ষই সংসদীয় সমিতিসমূহৰ মাজত আদান প্ৰদান, সদস্য আৰু বিষয়া সকলৰ সামৰ্থ বিকাশ তথা সংসদীয় প্ৰতিনিধিসকলৰ পাৰস্পৰিক  যাত্ৰা সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাত প্ৰতিস্থানগত সহযোগিতা বৃদ্ধি কৰাৰ বিভিন্ন দিশ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰা হয়।বাংলাদেশৰ জাতীয় সংসদ ভ্ৰমণৰ সময়ত শ্ৰীবাৰ্মাই সংসদ পুথিভঁৰালো পৰিদৰ্শন কৰে আৰু দুয়োখন দেশৰ সংসদীয় পুথিভঁৰালৰ মাজৰ সহযোগিতাৰ সম্ভাবনাৰ অন্বেষণ কৰে।

ooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰ্যালয়ৰ সূত্ৰই জনোৱা মতে ৬৪ লাখ হেক্টৰতকৈ অধিক ভূমিত হোৱা গ্ৰীষ্মকালীন শস্যই অভিলেখ গঢ়িছে। সূত্ৰটোৱে জনোৱা মতে বিগত বৰ্ষৰ তুলনাত গ্ৰীষ্মকালীন শস্যৰ ৭৭ হাজাৰ হেক্টৰ ভূমিত বৃদ্ধি পাইছে। ইয়াৰে ৩০ লাখ হেক্টৰ ভূমিত ধান, ১১ লাখতকৈও অধিক হেক্টৰ ভূমিত দাইলৰ খেতি কৰা হৈছে। মন্ত্ৰ্যালয়ৰ সূত্ৰ অনুসৰি ১৩ লাখত হেক্টৰতকৈও অধিক ভূমিত অন্যান্য শস্য উৎপাদন কৰা হৈছে। ৮ হেক্টৰতকৈও অধিক ভূমিত তৈলবীজৰ উৎপাদন কৰা হৈছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

ooooo

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ- আই চি চিয়ে মহিলা টি-২০ বিশ্বকাপ ২০২৬ৰ বাবে অভিলেখ পৰিমাণৰ প্ৰাইজমানি ঘোষণা কৰিছে। ইংলেণ্ড আৰু ৱেলছত অনুষ্ঠিত হ'বলগীয়া এই বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ সৰ্বমুঠ পুৰস্কাৰৰ ধনৰাশি ৮৭ লাখ ৬৪ হাজাৰ ৬১৫ আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰা হৈছে। এই পৰিমাণ ২০২৪ চনৰ তুলনাত ১০ শতাংশ অধিক। প্ৰতিযোগিতাৰ বিজয়ীৰ দলটোৱে ২৩ লাখ ৪০ হাজাৰ আৰু ৰাণাৰআপ দলটোৱে ১১ লাখ, ৭০ হাজাৰ আমেৰিকান ডলাৰ লাভ কৰিব। এইবাৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ১২ দলে অংশগ্ৰহণ কৰিব। অহা ১২ জুনত এই প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছ্‌ক ৫৭ ৰানত পৰাস্ত কৰে। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৬ ৰান কৰে। অধিনায়ক ঈষাণ কিষাণে ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ৪টা উইকেট দখল কৰা প্ৰফুল্ল হিংগেক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

সমাপ্ত